# টোপাতলী গাঁৱত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বিত্তীয় অন্তৰ্ভুক্তি অভিযান




**গুৱাহাটী, ১৩ আগষ্ট ঃ** ডিমৰীয়া উন্নয়ন খণ্ডৰ টোপাতলী গাঁও পঞ্চায়ত প্ৰাংগণত আজি বিত্তীয় অন্তৰ্ভুক্তি পৰিপূৰ্ণতা অভিযান শীৰ্ষক এক বিশেষ শিবিৰ অনুষ্ঠিত হয়। সমগ্ৰ দেশতে চলি থকা জন সুৰক্ষা অভিযানৰ অংশ হিচাপে অনুষ্ঠিত এই শিবিৰত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুম্বাইস্থিত মুখ্য কাৰ্যালয়ৰ কাৰ্যবাহী সঞ্চালক পি বাসুদেবন, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ আঞ্চলিক সঞ্চালক সুস্মিতা ফুকন, ইউকো বেংকৰ আঞ্চলিক কাৰ্যালয়ৰ মহাপ্ৰবন্ধক সত্যৰঞ্জন পাণ্ডা, ভাৰতীয় ষ্টেট বেংকৰ মহাপ্ৰবন্ধক সফল ত্ৰিপাঠী, চেণ্ট্ৰেল বেংকৰ উপ-মহা প্ৰবন্ধক অনিল কুমাৰ, অসম গ্ৰামীণ বিকাশ বেংকৰ আঞ্চলিক প্ৰবন্ধক হৃদয় দেউৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধীৰাজ দাস প্ৰমুখ্যে বিভিন্ন বেংকৰ উৰ্ধ্বতম কৰ্তৃপক্ষ। জিলা অগ্ৰণী বেংক পৰিচালক সন্তোষ শৰ্মাৰ পৰিচালনাত ডিমৰীয়া উন্নয়ন খণ্ডৰ তিনি শতাধিক ৰাইজ উপস্থিত থকা উক্ত শিবিৰত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ কাৰ্যবাহী সঞ্চালক পি বাসুদেবনে এই জন সুৰক্ষা অভিযানত অংশগ্ৰহণ কৰি সফল কৰিবলৈ সকলো ৰাইজক আহ্বান জনায়। আঞ্চলিক সঞ্চালক সুস্মিতা ফুকনে কে ৱাই চিৰ ওপৰত বক্তব্য ৰাখে আৰু বেংক একাউণ্টত হৈ থকা নানা প্ৰৱঞ্চনাৰ পৰা সতৰ্ক থকাৰ বিভিন্ন দিশ আলোকপাত কৰে। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধীৰাজ দাসে সমবেত ৰাইজক বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিবলৈ আধাৰ সংযোগ, বেংকৰ ঋণ পৰিশোধ আৰু স্মাৰ্টফোনৰ সু-ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰি বক্তব্য ৰাখে। শেষত জিলা অগ্ৰণী বেংক পৰিচালক সন্তোষ শৰ্মাই এই জন সুৰক্ষা তথা বিত্তীয় অন্তৰ্ভুক্তি অভিযানৰ সফল সমাপ্তিৰ বাবে সকলো ৰাইজৰ সক্ৰিয় সহযোগিতা কামনা কৰি সভাত উপস্থিত বিশিষ্ট ব্যক্তি তথা ৰাইজলৈ শলাগৰ শৰাই আগবঢ়ায়।

অসমীয়া প্ৰতিদিন ১৪।৮।২০২৫